# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-08-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - - - - - - -**

বিৰোধীৰ দুবাৰকৈ সদন ত্যাগ, সদন স্থগিত প্ৰস্তাৱ উত্থাপনৰ মাজেৰে অসম বিধানসভাৰ শৰৎকালীন অধিবেশন আজিৰ প্ৰথম দিনৰ কাৰ্যসূচী অনুষ্ঠিত হয়। ইয়াৰ মাজতে আদিবাসী আৰু চাহ জনজাতিসকলৰ সৰ্বাংগীন সংস্থাপনৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেতবোৰ গুৰুত্বপূৰ্ণ ঘোষণা কৰে। প্ৰশ্নোত্তৰ কালেৰে আৰম্ভ হোৱা অধিবেশনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চৰকাৰে সকলো ধৰণৰ চাকৰিত এতিয়াৰেপৰা চাহ জনগোষ্ঠীৰ বাবে ৩ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰাৰ বিষয়ে ঘোষণা কৰে। তেওঁ লগতে কয় যে চাহ বাগিচা অধ্যুষিত অঞ্চলত ১০০ খন নতুন উচ্চ মাধ্যমিক বিদ্যালয় আৰু ১০ খন মহাবিদ্যালয় স্থাপন কৰা হ'ব। চাহ-বাগিচা অঞ্চলৰ বাট-পথৰ উন্নয়নৰ বাবে ৯০০ কোটি টকা ধাৰ্য কৰা হৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগে গ্ৰহণ কৰা উন্নয়নমূলক আঁচনিসমূহৰ উপৰি চৰকাৰৰ আন বিভাগে যুগুতোৱা বহু আ ইপিনে, মথাউৰিসমূহৰ নিৰীক্ষণৰ দায়িত্ব গাঁওৰক্ষী বাহিনীক দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

সদনৰ শূন্যকালত ৰাইজৰ দলৰ বিধায়ক অখিল গগৈ, এ আই ইউ ডি এফৰ বিধায়ক আমিনুল ইছলাম (জ্যেষ্ঠ) আৰু কংগ্ৰেছৰ দেৱব্ৰত শইকীয়াই সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। অখিল গগৈয়ে শিৱসাগৰত এগৰাকী যুৱতীক অপদস্থ কৰা, আমিনুল ইছলামে ভূমি ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে কৰা বক্তব্য আৰু দেৱব্ৰত শইকীয়াই স্মাৰ্ট বৈদ্যুতিক মিটাৰ সন্দৰ্ভত সভাস্থগিতৰ প্ৰস্তাৱ তোলে যদিও অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এই তিনিওটা প্ৰস্তাৱ নাকচ কৰে। ইয়াকে লৈ কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ বিধায়কসকলে প্লেকাৰ্ড লৈ অধ্যক্ষৰ সন্মুখত ধৰ্ণা দি বিধানসভা ত্যাগ কৰে।

সদনত আজি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই দি আছাম শ্বিডিউল কাষ্ট এণ্ড শ্বিডিউল ট্ৰাইব্ছ (ৰিজাৰ্ভেচন অফ ভেকেন্সিছ ইন ছাৰ্ভিচেছ এণ্ড পোষ্ট) সংশোধন বিধেয়ক, ২০২৪ উত্থাপন কৰে। ইয়াৰ লগতে অসম চৰকাৰী ভাষা সংশোধন বিধেয়ক, ২০২৪, দি আছাম টেনেনচি এমেণ্ডমেণ্ট বিল, ২০২৪, অসম ভূমি-ৰাজহ নিয়ন্ত্ৰণ সংশোধন বিধেয়ক, ২০২৪, দি আছাম ৰিপিলিং বিল, ২০২৪, মটক স্বায়ত্ত শাসিত পৰিষদ সংশোধনী বিধেয়কসহ মুঠ ১০খন বিধেয়ক উত্থাপন কৰা হয়। অধিবেশন পুনৰ অহা ২৭ আগষ্টৰ পৰা অনুষ্ঠিত হ'ব। সেইদিনা সংকল্প প্ৰস্তাৱ আৰু আন কেইবাখনো বিধেয়ক উত্থাপনৰ সম্ভাৱনা আছে। ২৮ আগষ্টত পৰিপূৰক মঞ্জুৰিৰ বাবে দাবীসমূহৰ ওপৰত আলোচনা আৰু ভোটদান হ'ব। ৩০ আগষ্টলৈ এই অধিবেশন চলিব।

ooooo

ভাৰত আৰু পোলেণ্ডে দুয়ো দেশৰ পাৰস্পৰিক সম্পৰ্কক কৌশলগত অংশীদাৰিত্বলৈ উন্নীত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। পোলেণ্ডৰ প্ৰধানমন্ত্ৰী ডʼনাল্ড টাস্কৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হোৱাৰ পাছত এটা প্ৰেছ বিবৃতিযোগে শ্ৰী মোদীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, এই বছৰতে দেশ

দুখনে পাৰস্পৰিক কূটনৈতিক সম্পৰ্কৰ ৭০ সংখ্যক বাৰ্ষিকী উদযাপন কৰিব। ভাৰত আৰু পোলেণ্ডৰ সম্পৰ্ক গণতন্ত্ৰ আৰু আইনৰ বিধিৰ দৰে উমেহতীয়া প্ৰমূল্যৰ ওপৰত নিৰ্ভৰশীল বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে, ৪৫ বছৰৰ পাছত এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীয়ে পোলেণ্ড ভ্ৰমণ কৰাৰ পৰিপ্ৰেক্ষিতত আজিৰ দিনটোৱে দুয়োখন দেশৰ সম্পৰ্কৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব বহন কৰিছে। ২০২২ চনত ইউক্ৰেইনত উদ্ভৱ হোৱা পৰিস্থিতিৰ সময়ত পোলেণ্ডে ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলক উদ্ধাৰৰ ক্ষেত্ৰত কৰা সহায় দেশখনে কেতিয়াও নাপাহৰে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। দেশ দুখনে আন্তঃৰাষ্ট্ৰীয় মঞ্চত নিকট সমন্বয়ৰে অগ্ৰসৰ হৈছে বুলিও তেওঁ কয়। ইপিনে গোলকীয় প্ৰত্যাহ্বানৰ মোকাবিলা কৰাৰ বাবে ৰাষ্ট্ৰসংঘ আৰু অন্য আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ সংস্কাৰ সাধন কৰাটো সময়ৰ দাবী হিচাপে চিহ্নিত হৈছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ পোলেণ্ডৰ কোম্পানীসমূহক বিশ্ববাসীৰ বাবে সামগ্ৰী উৎপাদন কৰিবলৈ ভাৰতৰ মেক ইন ইণ্ডিয়া অভিযানত যোগ দিয়াৰ বাবে আহ্বান জনায়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিকশিত ভাৰত কাৰ্যসূচীৰ অধীনত এখন সুস্থ ভাৰত গঢ়াৰ পদক্ষেপৰ অংশ হিচাপে আজি অইল ইণ্ডিয়া লিমিটেডে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ৰাজ্যখনৰ স্বাস্থ্যসেৱাৰ আন্তঃগাঁথনি উন্নীত কৰাৰ বাবে এই পদক্ষেপ লোৱা হৈছে। ইয়াৰ দ্বাৰা চিকিৎসা মহাবিদ্যালয়খনত ৮ কোটি ৯০ লাখ কোটি টকা ব্যয়ৰে ৰোগীৰ বাবে কেইবামহলীয়া কেবিন গৃহ নিৰ্মাণ কৰা হ'ব। অইল ইণ্ডিয়া লিমিটেডে সামাজিক দায়বদ্ধতা আঁচনিৰ অংশ হিচাপে এই ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

কোকৰাঝাৰৰ বড়োফা সাংস্কৃতিক প্ৰকল্পত আজি আয়োজিত অনুষ্ঠানত বি-টি-আৰৰ অন্তৰ্গত মুঠ ৯০০গৰাকী টেট উত্তীৰ্ণ প্ৰাৰ্থীক শিক্ষকৰ নিযুক্তি পত্ৰ বিতৰণ কৰা হয়। বি-টি-আৰৰ অন্তৰ্গত প্ৰাদেশিকীকৃত প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ৰ কলা, বিজ্ঞান আৰু হিন্দী বিষয়ৰ শিক্ষকৰ নিযুক্তি-পত্ৰ বিতৰণ কৰা হয়। বি-টি-চি প্ৰধান প্ৰমোদ বড়োৱে আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ বিতৰণ কৰে।

০০০০০

টাটা ন্যাস আৰু অসম চৰকাৰৰ উদ্যোগত বৰপেটাত স্থাপন কৰা কেন্সাৰ কেয়াৰ প্ৰতিষ্ঠানত আজি এটা অত্যাধুনিক পেট চিটি স্কেন মেচিন সংস্থাপন কৰা হয়। কৰ্কট ৰোগৰ উপৰি ৰোগীয়ে দীৰ্ঘদিন ধৰি ভুগি থকা বিভিন্ন ৰোগৰ সঠিক আৰু দ্ৰুত চিনাক্তকৰণৰ বাবে সংস্থাপন কৰা এই মেচিনটো আজি অসম কেন্সাৰ কেয়াৰ সংস্থাৰ মুখ্য পৰিচালন বিষয়া ডা০ জয়প্ৰকাশ প্ৰসাদে ৰাইজৰ বাবে মুকলি কৰে। এই মেচিনটো সংস্থাপনৰ ফলত বৃহৎ সংখ্যক লোক উপকৃত হ'ব বুলি বিষয়াগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

সমাপ্ত